# স্পষ্টীকৰণ

যোৱা ইং ০৪-০৯-২০১৫ তাৰিখে “অসমীয়া খবৰ” কাকতত প্ৰকাশিত “আদাবাৰী বাছ আস্থানত গুণ্ডাকৰ ঃ নিৰ্বিকাৰ আৰক্ষী” শীৰ্ষক বাতৰিটো আৰক্ষী আয়ুক্তৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত এক স্পষ্টীকৰণ যোগে কোৱা হৈছে যে, আদাবাৰী বাছ আস্থানত আৰক্ষীৰ সহযোগত পৌৰকৰ্মীয়ে ভুৱা ৰচিদ বহীৰে বিভিন্ন যাত্ৰীবাহী গাড়ীৰ পৰা ধন আদায় কৰা সংক্ৰান্তীয় কোনো তথ্য আৰক্ষীৰ হাতত নাই আৰু এই সন্দৰ্ভত কোনো অভিযোগো এতিয়ালৈ পোৱা হোৱা নাই। এই সন্দৰ্ভত উপ-আৰক্ষী আয়ুক্ত (যান-বাহন শাখা)ক অনুসন্ধান কৰি এক প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে আৰু এই প্ৰতিবেদনৰ তথ্যৰ ওপৰত ভিত্তি কৰি আইনমতে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ’ব।

৭/৯/২০১৫

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়
উলুবাৰী গুৱাহাটী